# বি জে পি আৰু অন্ধ্ৰপ্ৰদেশৰ বিভাজন

**দিনাংক- ২১ ফেব্ৰুৱাৰী ২০১৪**

অৰুণ জেটলী
ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা

তেলেংগনা ৰাজ্যৰ গঠন এতিয়া বাস্তৱ । ৰাজনীতিৰ নীৰিক্ষণকৰ্ত্তা আৰু সাংবাদিক সকলে এতিয়া বিশ্লেষণ কৰিব যে এই সিদ্ধান্তৰ পৰা কোন লাভান্বিত হ'ব । কেন্দ্ৰীয় বিধায়িনী দ'লৰ এই সিদ্ধান্তক ইমান ঠেক চকুৰে চোৱা ঠিক নহ'ব । সেই অঞ্চলৰ লোকৰ বাবে তেলেংগনা এক বৈধ আশা আছিল । তেওঁলোকৰ আৱেগ ইমান বাঢ়ি গৈছিল যে তেলেংগনা ৰাজ্য গঠনত ইয়াতকৈ অধিক পলম হ'লে বহুতো সমস্যাৰ সৃষ্টি হ'লহেতেঁন । সেই অঞ্চলৰ লোকৰ আশা কোনো পধ্যে বিমূখ কৰিব পৰা নগ'লহেতেঁন ।

কংগ্ৰেছ দ'লে এই বিষয়ক কিছু বছৰ ধৰি যিদ্বৰে আগবঢ়াই আহিছিল, সেয়াই সমস্যা আৰু বৃদ্ধিহে কৰিছে । সৰ্ব সন্মতিৰ জড়িয়তে চত্তীশগড়, উত্তৰাখণ্ড আৰু ঝাৰখণ্ড ৰাজ্য গঠন কৰা হৈছিল, ইয়াৰ চেষ্টা কৰাৰ বিপৰীতে কংগ্ৰেছ দ'লে ৰাজ্যত বাস কৰা লোকৰ মাজত সংঘাতৰ সৃষ্টি কৰিলে । ভাৰতৰ ভিতৰত অন্ধ্ৰপ্ৰদেশ এক উদ্যোগিক ৰাজ্য । এই বিষয়ৰ সমাধানৰ বাবে ৰাজনীতিৰ সুবিধাবাদী আৰু ৰাষ্ট্ৰনেতাৰ মাজত এজনক বিচাৰ কৰিব লাগিব ।

৩ দশক ধৰি ৰাজ্যৰ বি জে পি খণ্ডই তেলেংগনাক লৈ প্ৰতিশ্ৰুতিৰদ্ধ আছিল । ২০০৬ চনতে বিজেপি ৰ কেন্দ্ৰীয় দ'লে এই দাবীৰ উত্থাপন কৰিছিল । বিজেপি ৰ মূলতঃ ২ টা লক্ষ্য আছিল । প্ৰথম, তেলেংগনা ৰাজ্যৰ গঠন হ'ব লাগে আৰু দ্বিতীয়তে, সীমানধৰাৰ জনসাধাৰণে উপযুক্ত ন্যায় পাব লাগে, যিহেতু বিভাজনৰ ফলত অৰ্থনীতিৰ ক্ষেত্ৰত এই অঞ্চলক অধিক প্ৰভাৰিত কৰিব । যিবোৰে অত্যাধিক গুৰুত্ব প্ৰদান কৰিছে, তেওঁলোকক তাত্ক্ষণিক লাভ লাগে । এই দুই লক্ষ্যক সমান কৰাটো কোনো বিৰোধাভাষ নাছিল । তেলেংগনাৰ জনসাধাৰণ অতি আনন্দিত যে তেওঁলোকৰ ৰাজ্য গঠন হৈছে আৰু হায়দ্ৰাবাদ, তেলেংগনাৰ এটি অংশ হৈ ৰ'ল । সংসদত এই বিধেয়ক প্ৰস্তাৰিত হ'ব নে ন'হব সেইয়া বিজেপি ৰ ওপৰত নিৰ্ভৰ আছিল । বিজেপি ৰ হাতত ইয়াৰ সামৰ্থ আছিল । আমি তেলেংগনা সমৰ্থনৰ সিদ্ধান্ত ল'লো যিহেতু এইয়া আমাৰ বহুতদিনীয়া দাবী আছিল ।

দুটা আৰু সমস্যা আছে, প্ৰথমটো হ'ল সীমানধৰাৰ লোকৰ স্বাৰ্থ কেনেকৈ ৰক্ষা কৰা হ'ব, আৰু দ্বিতীয়তে তেলেংগনাৰ গাঠঁনিৰ ব্যৱস্থাত চৰকাৰে ভুল কৰিছে বিলি কেনেকৈ প্ৰমাণিত হ'ব ? দ্বিতীয়টোৰ ক্ষেত্ৰত বিৰোধী দ'লৰ হিচাপে আমাৰ এইয়া কৰ্ত্তব্য যে হায়দাৰাবাদৰ আইন ব্যৱস্থা কোনো মন্ত্ৰীৰ হাতত থকাৰ বিপৰীতে ৰাজ্যপালৰ হাতত থাকিব লাগে আৰু জৰুৰী হ'লে ইয়াৰ বাবে সংবিধানৰো সংশোধন কৰিব লাগে । আমাৰ এই স্থিতিত চৰকাৰৰ প্ৰতিক্ৰিয়া ভাল নাছিল । লগতে আমি সীমানধৰাৰ লোকৰ বিত্তীয় সমস্যাৰ সুৰক্ষা সন্দৰ্ভত প্ৰতিশ্ৰুতিৱদ্ধ আছিলো । এই সন্দৰ্ভত সংবিধানিকভাৱে যি কৰিব লাগে আমি কৰিছিলো । ইয়াৰ লগতে আমাৰ দ'লৰ স্থিতি সেই সংখ্যা হিচাপে সুবিধাজনক আছিল । ৰাজ্যসভাৰ মজিয়াত আমি চৰকাৰৰ পৰা কিছু প্ৰতিশ্ৰুতি লব'লৈ সক্ষম হৈছো, যেনে- আগন্তুক ৫ বছৰৰ বাবে সীমানধৰা অঞ্চলক বিশেষ শ্ৰেণীত ৰখা হ'ব, সীমানধৰাত বিনিয়োগকাৰী সকলে কৰৰ ওপৰত ৰেহাই পাব, ৰায়েলসীমা আৰু অন্ধ্ৰপ্ৰদেশৰ পূৱ-তত্বীয় জিলাত পিছপৰা অঞ্চল হিচাপে সাহাৰ্য্য দিয়া হ'ব, প'লাভৰমক ৰাষ্ট্ৰীয় আচঁনি হিচাপে ঘোষনা কৰা হৈছে আৰু সীমানধৰাৰ ৰিহেবিলিটেচন কেম্প আৰু পুন:স্থাপনৰ সুবিধাৰ বাবে যেতিয়ালৈকে ১৪ তম বিত্তীয় কমিছনে সাহাৰ্য্য নিৰ্ধাৰণ নকৰে তেতিয়ালৈকে কেন্দ্ৰীয় চৰকাৰে সাহাৰ্য্য দিব লাগে । এনে সাহাৰ্য্য, সীমানধৰাৰ জনসাধাৰণৰ স্বাৰ্থৰ হকে ।

লগতে সীমানধৰাৰ বাবে নতুন জিলাৰ গঠনৰ সন্দৰ্ভত যদি বিজেপিৰ সহযোগিতা বিচাৰে তেতিয়া বিজেপি য়ে সাকাৰাত্মক পদক্ষেপ ল'ব ।

জোৱাৰ ঠাণ্ডা হোৱাৰ পাছত এইয়া স্পষ্ট হৈ যাব যে যদিও বিজেপি অবিভাজিত অন্ধ্ৰপ্ৰদেশত সৰু ৰাজনৈতিক দ'ল তথাপিও তেওঁলোকে নিজৰ কাৰ্য্য দায়িত্বপূৰ্ণভাৱে পালন কৰিছে ।